# জাগবীৰ হেম বৰুৱা কলেজ আলোচনী



৩য় সংখ্যা
১৯৮১-৮২

# শুভেচ্ছা বাণী

মহান উদ্দেশ্য আৰু আকাংখাৰ সুৰ হৃদয়-তন্ত্ৰীত বাজি উঠিলে তাৰ স্পন্দন অবিৰাম ভাৱে সমগ্ৰ বিশ্বত বিস্তাৰিত হয়। উদাৰ উদ্দেশ্য আৰু আত্মবিসৰ্জ্জনৰ প্ৰেৰণা থাকিলে সাময়িক উত্তেজনা আৰু বাধাই তাক ব্যাহত কৰিব নোৱাৰে। মানৱজীৱনৰ সামগ্ৰীক উদ্দেশ্য চৰম ভোগ আৰু নিচ্চ ভিক্ষাৰ পথলৈ নহয়---ই ধাবিত হ'ব লাগিব কৰ্ম আৰু মানৱকল্যাণৰ উদ্দেশ্যৰ পথলৈ। বাস্তৱ-সম্বন্ধহীন জ্ঞান নিষ্ফল আৰু অসাৰ।

মহাবিদ্যালয়ৰ আলোচনী প্ৰকাশ এনে চিন্তা-চৰ্চ্চা, ধ্যান-ধাৰণা আৰু অধ্যয়ন-অনুশীলনৰ স্বাক্ষৰ বহন কৰা উচিত। শিক্ষক-ছাত্ৰৰ নিবিড় সম্বন্ধ আৰু প্ৰচেষ্টাত সফল কাম হ'ব সেই উদ্দেশ্য। আমাৰ আশা মহাবিদ্যালয়ৰ এই সংখ্যা আলোচনীয়ে ছাত্ৰ-ছাত্ৰী সকলৰ এনে বৌদ্ধিক চিন্তাৰ বিকাশৰ স্বাক্ষৰ বহন কৰিবলৈ সমৰ্থ হ'ব।

শ্ৰীসুৰেন দাস
অধ্যক্ষ
ত্যাগবীৰ হেম বৰুৱা কলেজ
জামুগুৰিহাট

## ॥ শাশ্বত ॥

ইৰাণী দত্ত মেধি
প্ৰবক্তা, অৰ্থনীতি বিভাগ।

নৈঃশব্দৰ মাজত ফুলে যেতিয়া
হৃদয়ৰ অমল গোলাপ
অকলংকিত নিহিত সৌৰভ
সৰি পৰে
পুলকিত শব্দৰ পচোৱাত।

সাপ চেঁচা হেমন্তৰ বাঞ্চিত ক্ষণে
অতি সংগোপনে
পোহৰৰ আজলিৰে
নিলগলৈ পঠিয়াই
কুহুম বুলীয়া আন্ধাৰৰ ছাঁ।

জুনুক জানাকৈ বাজি থকা
সেউজী স্বপ্নই
ডুব দিয়ে
দূৰৰ নীলিমাত, অংকিত
হয় পানী ৰঙৰ
এখন উজ্বল ছবি।

প্ৰতিধ্বনিত হয় চৌদিশে
প্ৰাচীন গীতৰ স্বৰলিপি
চৌৰৱতি, চৌৰৱতি।

০০০

## ॥ স্বাক্ষৰ ॥

শ্ৰীপৱন বাৰুতি
স্নাতক ২য় বাৰ্ষিক (কলা)

প্ৰতি প্ৰহৰ প্ৰতি ক্ষণতেই মোৰ
প্ৰেম আৰু ভাল পোৱা।

তোমাৰ দীপ্ত কণ্ঠত উচ্ছাৰিত হোৱা
প্ৰতিটো শব্দই আলোড়িত কৰে
মোৰ স্বদেশৰ মানুহৰ হৃদয়ৰ পৰা হৃদয়লৈ
হাতত হাত থৈ গায় থকা
সহস্ৰাধিক মানুহৰ লগতেই মোৰ
প্ৰেমৰ আলিঙ্গন।

বিভৎসতাই শতবাৰ খোদিত মোৰ প্ৰেম
নিঃশেষ কৰিব পৰা নাই
মোৰ প্ৰেম মানুহৰ বাবে
প্ৰতিখনি জুৰুলা হৃদয়ৰ বাবে।

হৃদয় কপোৱা মাধুৰ্য্যই
দিগন্ত বিয়পা, পৰিধি নোপোৱা
মোৰ প্ৰেমৰ জ্বলন্ত স্বাক্ষৰ
ৰক্তাভ দিগন্তৰ।

০০০



# আকৌ নতুন প্ৰভাত হব

শ্ৰীইন্দ্ৰ প্ৰসাদ শইকীয়া
প্ৰবক্তা, ইংৰাজী বিভাগ।

আজি কিছুদিন ধৰি বদৰুদ্দিনে কিছু কথা ভাবিবলৈ এৰিয়েই দিছে। ভাবি দ্বৰাচলতে লাভো নাই একোকে। ভাৱে এটা, দেখে এটা, ঘটে এটা। এই মাটিখনলৈ এবছৰৰ আগতে অহাটোৱে চাৰ্টিফিকেট পায় পোন্ধৰ বছৰৰ আগতে অহাৰ আৰু পোন্ধৰ বছৰৰ আগতে অহাটোৱে চাৰ্টিফিকেট পায় এবছৰৰ আগতে অহাৰ। কিবা এক বুজিব নোৱাৰা সাথঁৰ যেন লাগে বদৰুদ্দিনৰ। সেয়াইনে সি নিজ চকুৰে দেখিলে---চৰকাৰী মাটি ভাঙি মণ্ডল-কানানগুক কেইটকামান দিয়েই---চৈখোৱামুখৰ জালাল, ফজলুলে এতিয়া বিৰাট সম্পত্তিৰ অধিকাৰী হৈ বহি লৈছে। তাৰ তাতো আপত্তি নাই কাৰণ সংসাৰখন বজাৰ হাট, কণাৰ হাতৰ দৰে। কোনোবাই পায়। কোনোবাই নেপায়। কোনোবাই শুকাই খীণাই গ'ল বুলি চিন্তা কৰি মৰে আৰু কোনোবাই মঙহবোৰ বেছি হ'ল বুলি ভাবি চিন্তা কৰি কৰি মৰে। মানে কোনো মৰে হাড়ে হাড়ে কোনো মৰে মঙহ ভাৰে। বদৰুদ্দিনৰ আৰু কৰ লগা আছে। কিন্তু সি নকয়। ভাবিবলৈ এৰি দিয়া মানুহ এটাই কিনো কব পাৰে বাৰু?

মাজে-সময়ে নিজৰ ভোবোকাৰ ডাৰিয়ে ভৰা মুখখনি সি হাত বুলাই যায়; মাজে মাজে হাতৰ তলুৱাদুখন; মাজে মাজে হাতৰ আঙুলিবোৰ। এক অসহ্য যন্ত্ৰণাত তাৰ বুকুখন সময়ে সময়ে বিষায় উঠে। অসহ্য! চকুৰে মণিব পৰাৈলকে সি মাজে মাজে ঠাইবোৰৰ আগৰ অৱস্থিতিবোৰৰ কথা সি মনৰ দাপোনখনলৈ আনিবলৈ চেষ্টা কৰে। কিন্তু সি ব্যৰ্থ হয়। শাৰী শাৰী নাৰিকল, শাৰী শাৰী তামোল, কলগছ, নাহৰ, বকুলৰ ডাঠ ছাঁবোৰ, সুদীৰ্ঘ বাঁহনিৰ ডাঠ সেউজ আৰু ছাঁৰ গভীৰতাখিনি; নকুলৰ পুখুৰীৰ ভূতবোৰ; ডিম্বৰ বাৰীৰ আম, কঠাল, পকা থেকেৰাবোৰ---আৰু কিবা মনত পেলাব খোজা অথচ মনত পেলাব নোৱাৰা দৃশ্য কিছুমানৰ মাজত তাৰ মনটো হেৰাই যায়। পাহৰনিৰ এই বেদনা আৰু কণ্টকৰ।

বাবাজানে তাক সৰুতে বহুত কথা কৈছিল। সিহঁতৰ অঞ্চলতে ৰাইজে গঢ়ি তোলা পাঠশালাখনলৈ যাবৰ কাৰণে তাক বুজাইছিল। মাজে মাজে আগবঢ়াইও থৈ আহিছিল স্কুলখনত। শিক্ষকক লগ ধৰি ধৰি নিয়মীয়াকৈ কৈ আহিছিল বদৰুদ্দিনৰ যত্ন লোৱাৰ কথা। ঘৰতো চলিছিল বেলেগ যত্ন। কিন্তু সেইবোৰ কথা মনত পৰিলে তাৰ বুকুখন এতিয়া ভাগি আহিব খোজে। বাবাকে প্ৰায়ে সি নুবুজা কিবা হাকিমৰ, মঞ্চুপৰ দৰে শব্দবোৰ কৈছিল মানুহৰ আগত। একো নুবুজাকৈয়ে সেইবোৰ দিনত তাৰ মনটো ৰঙিয়াল লাগিছিল। কিন্তু সিহঁতৰ পৰিবেশ বেলেগ আছিল। এটা মুৰ্গী বা গৰুৱে কাৰোবাৰ বেৰা ভঙা লৈয়ে কেতিয়াবা একোখন সমৰৰ সৃষ্টি হৈ এক অৰ্দকাৰী হৈ-হাল্লাৰ তাত ঘূৰ্ণী উঠি বহু কেইদিনলৈ সেই ঠাইখন মোহাৰি পেলাইছিল। বাবাক আৰু পৰিয়ালৰ স্বপ্ন হেজাৰটা পৰিয়ালৰ দৰেই থানবান হৈ গৈছিল। বদৰুদ্দিনৰ নামটোৰ দৰেই মানুহটোও স্থিৰ হৈ ৰৈছিল।

এটা প্ৰকাণ্ড ক্ষোভৰ বিস্ফোৰণ ঘটাব নেকি মুহূৰ্ততে ভাবিলে সি। একো লাভ নাই---নিজেই নিজকে কলে। এই বেনুফ, ইৰছাদহঁতৰ পৰা সি আচলতে আগতেই সাৱধান হব পাৰিলেহেঁতেন! তাৰ আকৌ বাবাজানলৈ মনত পৰিল। বাবাজানে প্ৰায়ে তাক কৈছিল---নপঢ়িলি যেতিয়া হালকে ধৰিবি। কিন্তু কোৰাণৰ নিৰ্দেশ মনত ৰাখিবি। মানুহ আগ, ধৰ্ম্ম পাছ। এই বেনুফ, ইৰছাদহঁত---তাৰ দাঁত কেইটা কৰকৰাই উঠিল। সামান্য ভুলৰ কাৰণে বৰ ডাঙৰ ভুল হৈ গ'ল। হায়! নাচিম, মোৱাজ্জিন! এক কাতৰ স্বৰ ভাহি উঠিল তাৰ কণ্ঠৰ পৰা।

ৰ'দ জাক তাৰ গাত পৰিলে যদিও সি একো একো অনুভৱ কৰিব নোৱাৰিলে। একপ্ৰকাৰ গড়ৰ ছালখনৰ দৰেই হৈছে তাৰ গাৰ ছালখনো। কিমান সাজ পেটত পৰা নাই---। জানো---কোন দিনা খালে বকুলৰ চুবুৰীৰ ৰাইজে আহি দিয়া আঠীয়া-কল আৰু কোমল চাউল জেবা। ৰাইজখন কিছু ভাঁহি-ভুহৰি আহিছিল। এনেঙৰ চুবুৰীৰ পীতাম্বৰে তাক সাৱতি ধৰি মাত্ৰ হুক হুকাই কান্দিছিল। সি নিজেও বোবা হৈ গৈছিল। পীতাম্বৰ, নীল, বকুল,তৰু সিহঁতৰ গাঁৱৰ নুৰুল, কৰিম, আফজল---সেই একেলগে আহঁতৰ তলত সাৰ্ব্বজনীন ভাবে পতা বিহুমেলা; মইনা-পাৰিজাতৰ বাবে পইছা তুলি ঘৰ সজা; আলি বন্ধা, দূৰ-দূৰণিৰ পানীতে ভঙা মানুহলৈ অঞ্চলভিত্তিত সাহায্যৰ বাবে পয়ছা, দান-বৰঙণি তুলি যোৱা---এইবোৰ কি কাম কৰা নাছিল একেলগে। বেজৰ দ'লৰ দাতব্য চিকিৎসালয়খন, সেন্দূৰী আমৰ গুৰিৰ পাঠশালাখন, সাৰ্ব্বজনীন চিন্তাৰে অঞ্চলটোৰ সকলো ৰাইজে গঢ়া দুটা বিশেষ অনুষ্ঠান সৌ সিদিনালৈকে অঞ্চলটোৰ সম্প্ৰীতিৰ সাকোঁ হৈ আছিল।

হঠাৎ মনত পৰিল তাৰ পুনৰ বেনুফ আৰু ইৰছাদলৈ। কোৰাণক এই কুকুৰ কেইটাই পুতি থলে। 'আল্লা আছে বাবেই আমি আছো। আল্লাক ভবা মানেই---আমাৰ কাষৰ জনৰ কথা ভবা। আল্লাই আমাক মাটি দিছে, পানী দিয়ে, পোহৰ দিয়ে, চৰতে আল্লা আছে। আল্লা প্ৰাণে প্ৰাণে আছে।' তাতকৈ দুটা আখৰ বেছি পঢ়িব পৰা ইহঁত দুটাই তেন্তে কোৰাণৰ সেই কথাবোৰ মানিলে ক'ত? সিহঁতে দেখোন কথাবোৰ মানুহক বুজাওক চাৰি ৰাতি ৰাতি মেলমিটিংহে পতাত লাগিল। এৰা, বাবাজানে তাক ঠিকেই কৈছিল। এই পৃথিবীত জ্ঞান-চকু গজা ভাল। সি বৰ ভুল কৰিলে। দুটামান আখৰ চিনি পোৱা হলে, সি অন্ততঃ এই বেনুফ, ইৰছাদহঁতৰ নিচিনা জাতিদ্ৰোহী, মিত্ৰ দ্ৰোহী নহলহেঁতেন!

সি ভুল কৰিলে---বদৰুদ্দিনে ভাবিলে। সি অন্ততঃ ইতমলহঁতৰে সৈতে লগ লাগি মছজিদত হোৱা গোপন মিটিংখন হোৱাত বাধা দিব পাৰিলেহেঁতেন! ইৰছাদহঁতৰনো কি কথা টকাহে লাগে। মৰম-চেনেহ, ঐতিহ্য, দেশ, স্বদেশ, জাতি, সমন্বয়, সম্প্ৰীতি---এইবোৰ তাৰ বাবে টান হলেও এটা পুৰতনীয়া পৰিয়ালৰ সন্তান হিচাপে সি মাজে মাজে এই শব্দবোৰৰ বুজা-নুবুজা কিছু ভাব হজম কৰিবলৈ চেষ্টা কৰে। ভালেমান হিন্দু গাঁৱৰ মাজৰে সিহঁতৰ গাওঁখন। সিহঁতৰ গাওঁখনতো আঠঘৰমান হিন্দু মানুহৰ বাসস্থান। ভালেকেইপুৰুষ সমন্বয়ৰ সাঁকোয়েদি এই গাওঁবোৰ বগুৱা বাই আহিছিল। আটাইকেইখন লুইতৰ কাষৰে গাওঁ। লুইতৰত পানী আহিলেই হিন্দু-মুছলমান সকলোৰে সমানে ওঠত আশাৰ ফুল ফুলি উঠে। চাপৰি ভৰা খেতিৰ অন্তত বা অৱসৰৰ মাজতে এই গাওঁবোৰত জিকিৰ আৰু বিহুগীতৰ জাউৰি উঠে। জিকিৰ কোনে গায়, বিহুগীত কোনে গায়---নাম নকলে ধৰা টান। বহাগ বিহুত একে সময়তে হিন্দু-মুছলমান সকলো গাৱঁতে ঢোলৰ কোব পৰে। খেতিত নমা, খেতি সামৰা সকলো সময়তে ধৰ্ম্মৰ ডাঠ স্থান নথকা অনুষ্ঠানবোৰত অঞ্চলটোৰ সকলো ৰাইজেই সমানে আগভাগ লয়। উকৌৰাৰী গাৱঁৰ মহোধৰহঁত প্ৰায়ে আহে---তুফান বুঢ়াৰ তালৈ। দুপৰ নিশালৈকে কতযে মেল। বুঢ়াই নকলে সিহঁত নেযায় গৈয়ে! কেতিয়াবা তাতেই জলপান খাই পৰি থাকে। আকৌ অঞ্চলটোৰ সকলো-লৰা-ছোৱালীৰে উমৈহতীয়া ককা হ'ল---তুফান বুঢ়া। ডাল ভৰি ভৰি বতৰৰ সকলো ফল থকা তুফান বুঢ়াৰ বাৰীৰ কাষত লৰা-ছোৱালীবোৰৰ কিবা এক মেজিকৰ দৰে বৈ যায়। প্ৰথমতে হুৰহুৰায় উঠে বুঢ়াই। বুঢ়াৰ হুৰহুৰনি শুনি সিহঁতে জাউৰিয়ে জাউৰিয়ে হাঁহে। কেচা পকা ফল কিছুমান চিঙি দি সিহঁতক খৰখেদাকৈ পাঠশালালৈ যাবলৈ কড়া নিৰ্দেশ দিয়ে। সিহঁতৰে এমখায় আৱেলি আহি আকৌ তুফান বুঢ়াৰ পিঠিত হাতীত উঠি---'ইন্দ্ৰৰ ঐৰাৱত বাটেদি যায় অ' ৰাম ৰাম, চিঞৰি দীঘল সুৰ জোৰে। এটা দীঘল নিশ্বাস ওলাই গ'ল---বদৰুদ্দিনৰ। এই তুফান বুঢ়াটোৰা এতিয়া ক'ত হজম হ'ল!

'চাল্লা, দালাল হোৱাই ভালনেকি---বেনুফ, ইৰছাদহঁতৰ দৰে---'; দালাল শব্দটোৰ প্ৰকৃত প্ৰয়োগ আৰু অৰ্থ নুবুজাকৈয়ে---সি নিজৰ ভিতৰতে এটা প্ৰশ্ন কৰিলে, কিন্তু সি পিছ মুহূৰ্ততে ঠিক কৰিলে নাই---সাতপুৰুষত নকৰা এই কাম তাৰ দ্বাৰা কৰিব পৰা নহব। কৰিব পৰা হলে---মছজিদত হোৱা মিটিংখনত উপস্থিত থাকি সিয়ো টকাৰ ভাগ ললেহেঁতেন! বেনুফ, ইৰছাদহঁত এতিয়া মানে ক'ত আছে চাগৈ---প্ৰশ্ন হ'ল---বদৰুদ্দিনৰ। কি মেল সিহঁত দুটাৰ। অসহায় গাওঁ জ্বলাব লাগে---; জ্বলিলে সিহঁতৰো জ্বলিব---পাৰিলে নিজৰ গাওঁ নিজেই জ্বলাই দিব লাগে---; টকা পোৱা যাব, বহুত টকা। ছিঃ সন্মুখত সিহঁত দুটাক পোৱা হলে এতিয়া সি কি কৰিলেহেঁতেন একো কব নোৱাৰে। কিন্তু কিবা এটা কৰিলেহেঁতেনযে খাটাং। সেই কেৰামৎ, নজদুল চৰ একে পানীৰে মাছ। লাভ কাৰ কি হ'ল---চৰ জ্বলি শেষ হৈ গ'ল! হায়! নাচিম, মোৱাজ্জিন! আচিনাজনীবা ক'ত মৰিলগৈ। আছে চাগৈ ক'ৰবাত হাড়-মূৰ বিলাক পৰি! মোৱাজ্জিনৰ বিয়াখন পাতি নিদি অৱশ্যে ভালেই কৰিলে। বিয়াখন হৈ যোৱা হলে আৰু বহুত জঞ্জাল বাঢ়িলহেঁতেন এতিয়া তাৰ। মছজিদটো, হিন্দু কেইঘৰৰ নামঘৰটো, পাঠালাখন, চিকিৎসালয়খন চৰ শেষ হৈ গ'ল। কেৰামত, নজদুল, বেনুফহঁতৰ এতিয়াহে দাহটো মৰিছে চাগৈ। আৰু দুষিবনো কাক? ৰাঘবৰ চুকৰ ললিত গাওঁবুঢ়া, বলো মহাজন, প্ৰবীণ মাষ্টৰ, সাজৰবাৰীৰ ধনী ঠিকাদাৰ, হাজৰিকা পোষ্ট মাষ্টৰ সকলোৱেই বান্ধনী উচতাই জোলখোৱা বিধৰ। কোনোবা নামনুশুনা এম. এল. এ এটাই আহি হেনো কৈ গ'ল। টকা চৰকাৰে দিব। এফালৰ পৰা জ্বলাই যা। লাভ কি হব---সেইটো চৰকাৰে ভাবিব। ক'ৰবাত জ্বলিবহে লাগে। হিন্দু-মুছলমান বুলি কথা নাই। ৰাইজৰ মূল উদ্দেশ্য তল পৰি যাব। চৰকাৰ নিষ্কন্টক হৈ শিপাব।

ইমান বুজি নেপায় বদৰুদ্দিনে। তেন্তে নামঘৰ, মছজিদবোৰৰ কি দৰকাৰ আছে? নিয়মৰ চাৰিপ্ৰসঙ্গ আৰু আজানবোৰত কি দৰকাৰ আছে! তাৰ আকৌ পীতাম্বৰলৈকে মনত পৰিল। বৰ দুখলগাকৈ কান্দিলে সি সেইদিনা। তাৰ দৰেই অঞ্চলটোৰ হিন্দু-মুছলমান সকলোৱে কান্দিছেনে চাগৈ!

হঠাৎ সি মন কৰিলে হিলদল ভঙাৰ দৰে এজাক মানুহ তাৰ ফালে খোজকাঢ়ি আহি আছে। মানুহখিনি কোন কোন হব পাৰে সি বৰ তত ধৰিব নোৱাৰিলে। কিন্তু কথা বতৰাৰ পৰা গম পালে যে ভালেমান ডেকা লৰা হিলদল ভঙাকৈ অহা সমদলটোত আহিছে। ভিন্ন ধৰণৰ শব্দ আথৈ ফুটা দিছে সিহঁতৰ মুখত। বৰ বেছি সময় নহলেই---সিহঁত আহি তাৰ সন্মুখত ৰৈ গ'ল। তাৰ চকুৱে কি দেখিলে একো তত ধৰিব নোৱাৰিলে। মানুহ আৰু মানুহ। দলটোৰ সন্মুখত দেখিলে তাত মোৱাজ্জিনা আহিছে। সি কি বুলি সম্বোধন কৰিব ভাবোতেই মোৱাজ্জিনে আহি সাৱতি ধৰি কলে---'বাবজান' এই কুকুৰহঁতক আমি ধৰি আনিছো চোৱানা, ললিত গাওঁবুঢ়া, বলো মহাজন, ৰামৰ দিহা গায় ফুৰা প্ৰবীণ মাষ্টৰ, ১নং মৌলবী ফনৎ কাকা, ইৰছাদ, বেনুফ সকলোকে লৈ আহিছো বাবাজান। গাওঁ-

বোৰ প্ৰায়ে ধ্বংশ হৈ গ'ল। নামঘৰ, মছজিদ চব শেষ হৈছে। আৰু পাঠশালাখনযে সেইখনো শেষ কৰিলে।

এইবোৰ কি শুনিছে বদৰুদ্দিনে---সি একো ধৰিব নোৱাৰিলে। ঠহৰ ঠহৰকৈ কাণত পৰা শব্দবোৰ তাৰ একোটা শিলগুটিৰ দৰে লাগিল। কিবা এটা কবনেকি ভাবোতেই মোৱাজ্জিনে কলে--- 'বাবাজান' তুমি ইয়াতে থাকা আমি এতিয়াই আহিম ইহঁতমখাক আমি ৰাজহুৱা ভাবে বিচাৰ কৰিম। এইবাৰ ইয়াত মন্ত্ৰী, এম. এল. এ কাকো নেলাগে। নামঘৰ, মছজিদ আমি নিজেই সাজিম। পাঠশালা খনো। আমি পীতাম্বৰ ককাইদেউহঁতক খবৰ দিছো। আজি ৰাতিয়েই বহিম । কথাখিনি কৈ হুৰমূৰকৈ গুচি গ'ল মোৱাজ্জিন। বদৰুদ্দিনে শুকান মাটিখনৰ ফালে চায় থাকিল। একে সময়তে পশ্চিমৰ পৰা 'আল্লা হো আকবৰ'---আজানৰ সুৰ আৰু পূবৰ পৰা---'ভাই মুখে বোলা ৰাম হৃদয়ে ধৰা ৰূপ এতেকে মুকুতি পাইবা কহিলো স্বৰূপ'---পদফাকি এটা বিশেষ লয়ত শুকান মাটিখনৰ ওপৰেদি বাগৰি ফুৰা যেন অনুমান কৰিলে বদৰুদ্দিনে। সি প্ৰথম বাৰৰ কাৰণে অনুভৱ কৰিলে অঞ্চলটোত তেন্তে নতুন সূৰ্য্যোদয় হোৱাৰ দিন সমাগত হৈছে।

০০০

"গীতা কোৰাণেৰে, বাইবেলেৰে
কত গ্ৰন্থেৰে মই
সকলো ধৰ্ম্মৰ মৰ্ম্ম
বুকুত লৈ
প্ৰণমিছোঁ মই
প্ৰাৰ্থনা-নামাজ
লোৱাহে জ্যোতিৰ্ম্ময় ।"

---জ্যোতিপ্ৰসাদ